Total No. of Printed Pages : 7

Subject Code : 20
B26-AS (E)

1043

2026

ASSAMESE (E)

GROUP–A + B

Full Marks : 100
Pass Marks : 30

Time : 3 hours

[For Candidates offering as an Elective Subject]

GROUP–A

Full Marks : 50
Pass Marks : 15

Time : 2 hours

[For Candidates offering in lieu of MIL]

The figures in the margin indicate full marks for the questions.

GROUP-A

(ক-বিভাগ)

(মূল্যাংক : ৫০)

১। তলৰ প্ৰশ্নবোৰৰ অতি চমু উত্তৰ লিখা : ১ × ৩ = ৩

(ক) জৰ্জ বাৰ্ণাডশ্বই সাহিত্যৰ ন'বেল বঁটা কিমান চনত লাভ কৰিছিল ?

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ কিমান চনত মৃত্যু ঘটিছিল ?

(গ) আন্তৰ্জাতিক অহিংসা দিৱস হিচাপে কোনটো দিন পালন কৰা হয় ?

২। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ২ × ৩ = ৬

(ক) ফুলনিৰ গৰাকীয়ে লিখা চিঠিবোৰ মটৰ চালকজনে কি কৰিছিল ?

(খ) লক্ষ্মীনাথ বেজবৰুৱাই উচ্চ শিক্ষাৰ বাবে ক'লৈ আৰু কোন চনত গৈছিল ?

(গ) কেনে ভাব পোষন কৰিলে অথবা চিন্তা কৰিলে আমি অহিংসা নীতিৰ পৰা আঁতৰি যাঁও ?

(ঘ) ফুলনিৰ গৰাকীয়ে কিয় যথেষ্ট ধৈর্য ধৰিছিল ?

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাই লিখা দুখন চুটিগল্পৰ পুথিৰ নাম লিখা।

৩। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৩ × ৩ = ৯

(ক) ফুলনিখনৰ গৰাকীয়ে ফুলনিখন কাৰ বাবে পাতিছিল বুজাই লিখা।

(খ) 'এই ধুনীয়া ফুলনিখনকে কেন্দ্ৰ কৰি এদিন এটা ঘটনা
ঘটিল' - ঘটনাটো কি আছিল বুজাই লিখা।

(গ) অসমীয়া সাহিত্যত 'জোনাকী যুগ' বুলি কোনটো যুগক জনা যায় বুজাই লিখা।

(ঘ) 'কিন্তু মোৰ নিমিত্তে এই শব্দটোৰ অর্থ বহু ব্যাপক' – ইয়াত কোনে, কি শব্দৰ অর্থ ব্যাপক বুলি কৈছে - বুজাই লিখা।

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাক কিয় 'সাহিত্যৰথী' আৰু 'ৰসৰাজ' বোলা হয় বুজাই লিখা।

JobAssam.in

১। তলৰ প্ৰশ্ন দুটাৰ অতি চমু উত্তৰ লিখা : ১ × ২ = ২

(ক) 'বাউলী কবি' বুলি কোনগৰাকী কবিক অভিহিত কৰা হয় ?

(খ) কামৰূপ সঞ্জীৱনী সভাই চন্দ্ৰধৰ বৰুৱাক কি উপাধি দিছিল ?

২। তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৩ × ৩ = ৯

(ক) কবিৰ মতে ক'ত হাত দিলে আৰু কি কাৰণত দোষ লাগে বুজাই লিখা।

(খ) কবি কমলানন্দ ভট্টাচাৰ্যৰ চমু পৰিচয় লিখা।

(গ) 'অসমী আই' কবিতাটোৰ মূলভাৱ তোমাৰ নিজৰ ভাষাৰে বুজাই লিখা।

(ঘ) 'ধূলি কণা মই' – কবিতাত কবিয়ে বিশাল বিশ্বই তেওঁৰ মৃত্যুৰ কথা কি কাৰণে গম নাপায় বুলি কৈছে -বুজাই লিখা।

(ঙ) 'দুখ পায় দুৱৰিয়ে তোমাৰ খোজত
নেখেলায় তেনে ভাব তোমাৰ মনত' – কবিতাংশৰ তাৎপৰ্য ব্যাখ্যা কৰা।

৬। তলৰ যি কোনো এছোৱা প্ৰসংগ সংগতি দেখুৱাই ব্যাখ্যা কৰা : ৪

(ক) কাৰোতো বুকুৰ তেজ কম বোৱা নাই
সোনফলা মাটি তোৰ মুখ চাই;
তোৰ মুখ চাই তোৰ পতাকা উৰাই
মৰি মৰি পাওঁ যেন জনম দুনাই।

(খ) অনন্ত বিশ্বৰ অসংখ্য ধূলিৰ
এটি মাত্ৰ ধূলি-কণা মই;
মোৰ অবিহনে এই বিপুল সৃষ্টিৰ
কেনিও অকণো হানি নাই।

JobAssam.in

৭। তলৰ যি কোনো **ছয়টা** প্ৰশ্নৰ উত্তৰ লিখা : ১ × ৬ = ১৪

(ক) দুটা অন্তঃস্থ বৰ্ণৰ উদাহৰণ দিয়া।

(খ) তলৰ শব্দ দুটাত ষত্ববিধিৰ কি নিয়ম অনুসৰি 'স' আৰু 'ষ' হ'ল উল্লেখ কৰা :

কৃষক ; বিষম

(গ) দুটা ভাৱবোধক বাক্যৰ উদাহৰণ দিয়া।

(ঘ) শব্দবিভক্তি '—ৰে' আৰু '—ত' প্ৰয়োগ কৰি একোটিকৈ বাক্য লিখা।

(ঙ) নিৰ্দিষ্টতাবাচক প্ৰত্যয় '—কুৰা' আৰু '—যোৰ' প্ৰয়োগৰ একোটিকৈ উদাহৰণ দিয়া।

(চ) তলৰ শব্দ দুটাত কি প্ৰত্যয় লগ লাগিছে, ভাঙি দেখুওৱা :

হালোৱা ; শেহতীয়া

(ছ) তলত শব্দ দুটাৰ সমাৰ্থক শব্দ লিখা :

গছ ; ফুল

(জ) তলৰ শব্দ দুটাৰ বিপৰীতাৰ্থক শব্দ লিখা :

দুৰ্লভ ; আকাশ

(ঝ) অৰ্থ প্ৰকাশ হোৱাকৈ বাক্য ৰচনা কৰা :

কপাল ফুল ; চকুমুদ

৮। তলৰ যি কোনো **পাঁচটা** বাক্য অসমীয়া ভাষালৈ অনুবাদ কৰা : ১ × ৫ = ৫

(ক) This is your school.

(খ) The horse is running.

(গ) May God bless you a long time.

(ঘ) Anita said, "I am reading a book".

(ঙ) This matter is known to all.

(চ) Learning is the best friend.

(ছ) No pain no gain.

JobAssam.in

GROUP-B

(খ-বিভাগ)

(মূল্যাংক : ৫০)

তলৰ প্ৰশ্ন দুটাৰ অতি চমু উত্তৰ লিখা : ১ × ২ = ২

(ক) অসমীয়া সাহিত্যজগততে কোন গৰাকী লেখক 'মৌচাক মামা' নামেৰে পৰিচিত ?

(খ) 'মহাযজ্ঞৰ পুৰস্কাৰ' – পাঠটোৰ অনুবাদক কোন ?

। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ২ × ৩ = ৬

(ক) সৌন্দৰ্য চৰ্চা কাক বোলে ?

(খ) প্ৰিয়াই কি হ'ব খুজিছিল ?

(গ) শিক্ষাৰ মৌলিক আধাৰ কি ?

(ঘ) ভাবতত 'স্বয়ম' নামৰ ডিজিটেল আঁচনিটো কেতিয়া মুকলি কৰা হয় ?

(ঙ) 'নহ'লে এটা যজ্ঞকেই বেচি দিয়া' বুলি কেতিয়া, কোনে, কাক কৈছিল ?

১। তলৰ যি কোনো **তিনিটা প্ৰশ্নৰ** উত্তৰ লিখা। ৩ × ৩ = ৯

(ক) শিক্ষা-প্ৰযুক্তিৰ বিষয়ে চমুকৈ লিখা।

(খ) "কোৱাচোন সদাগৰ কি কাৰণে আগমন হ'ল ?" – কথাষাৰ কোনে, কেতিয়া, কাক কৈছিল বুজাই লিখা।

(গ) "আমি ধৈর্য ধৰিব লাগিব, ভগৱানে সকলো ভাল কৰিব" – ইয়াত ভগৱানে কি ভাল কৰাৰ কথা কৈছে - বুজাই লিখা।

(ঘ) সৌন্দৰ্য আৰু সুস্বাস্থ্যৰ উদ্যোগত থকা বিভাগসমূহৰ যি কোনো তিনিটা বিভাগৰ পৰিচয় দিয়া।

(ঙ) ড. মধুমিতা শইকীয়াৰ পৰিচয় বিষয়ক এটি টোকা লিখা।

JobAssam.in

১২। তলৰ প্ৰশ্ন **দুটাৰ** অতি চমু উত্তৰ লিখা : ১ × ২ = ২

(ক) সাহিত্যাচার্য অতুল চন্দ্র হাজৰিকাই ৰচনাকৰা এখন শিশুকবিতা পুথিৰ নাম লিখা।

(খ) 'মানুহে মানুহৰ বাবে' - কবিতাটোৰ কবিজনৰ নাম লিখা।

১৩। তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৩ × ৩ = ৯

(ক) দীন-দুখীয়াৰ ভাগ্য ভাল হ'ব বুলি কবিয়ে কিয় কৈছে বুজাই লিখা।

(খ) "জনাওঁ সবাকো ঈদ মোবাৰক
ঘৰে ঘৰে সুখ উপচি পৰক"
— কবিতাংশৰ ব্যাখ্যা আগবঢ়োৱা।

(গ) ড. ভূপেন হাজৰিকাৰ বিষয়ে এটি টোকা লিখা।

(ঘ) "যদি দানৰ কাহানিবা হয়েই মানুহ
লাজ পাব কোনেনো কোৱাঁ ?"
— কবিতাংশৰ তাৎপর্য ব্যাখ্যা কৰা।

(ঙ) "দীন দুখীয়াৰ খুলিব বৰাত
লভিম ফিৎৰা মিলিব জাকাত"
— কবিতাংশৰ তাৎপর্য ব্যাখ্যা কৰা।

১৪। 'ঈদমোবাৰক' অথবা 'মানুহে মানুহৰ বাবে' কবিতাটোৰ মূল কথাখিনি তোমাৰ ভাষাত লিখা। ৪

JobAssam.in

১৫ তলত দিয়া যি কোনো এটা বিষয়ৰ লৈ এখনি ৰচনা লিখা। ১০

(ক) তোমাৰ প্ৰিয়গ্ৰন্থ

(আৰম্ভণি — গ্ৰন্থখনৰ ৰচক — গ্ৰন্থখনিৰ পৰিচয় — প্ৰিয় হোৱাৰ কাৰণ — সামৰণি।)

(খ) তোমাৰ জীৱনৰ লক্ষ্য

(আৰম্ভণি — লক্ষ্যৰ আৱশ্যকতা — লক্ষ্য — লক্ষ্যত উপনীত হোৱাৰ প্ৰস্তুতি — সামৰণি।)

(গ) দৈনন্দিন জীৱনত বিজ্ঞানৰ প্ৰভাৱ

(আৰম্ভণি — বিজ্ঞানৰ ওপৰত নিৰ্ভৰশীলতা — বিজ্ঞানৰ অৱদান — বিজ্ঞানৰ কুপ্ৰভাৱ — সামৰণি।)

১৬। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৮

(ক) ভাব-সম্প্ৰসাৰণ কৰা :

হৰিণাৰ মাংসই বৈৰী।

(খ) ভাবাৰ্থ লিখা :

সময়ৰ মূল্য নুবুজা মানুহ দীৰ্ঘসূত্ৰী হয়। এক মুহূৰ্তৰ ভিতৰত সংসাৰ লয়খয় হ'ব পাৰে। এই কথাৰ বোধ যাৰ আছে, সি কেতিয়াও ভৱিষৎ নিধিয়ায়, কেতিয়াও কালিলৈ কৰিম বুলি কাম থৈ নিদিয়ে। 'আলচা কৰ্ম নহয় সিদ্ধি, বাটত আছে কণা বিধি' এই বচন মানুহে নিৰন্তৰে গায় আৰু ইয়াৰ অৰ্থও সকলোৱে বুজে ; তেওঁ যে কিছুমান মানুহে আলচা কাম পাছলৈ সাঁচি থয় ই বৰ আচৰিত কথা। ইয়াৰ কাৰণ অৱশ্যে এলাহ। এলাহৰ দণ্ডিত মানুহে কৰিবলগীয়া কাম সুচল পাইও নকৰি আগলৈ থৈ দিয়ে।

JobAssam.in